*Total number of printed pages–4*

**14 (ASM–1) 1036**

**2021**

**( Held in 2022 )**

**ASSAMESE**

Paper : ASM–1036

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। চমু উত্তৰ দিয়া ঃ (এক বা ততোধিক শব্দ ব্যৱহাৰ কৰিবা) ১×১০=১০

(ক) নিকা সংহতি কোনে প্ৰতিষ্ঠা কৰিছিল?

(খ) কোনগৰাকী আহোম স্বৰ্গদেৱে নাগশঙ্কৰ মন্দিৰ পুনৰ্নিমাণ কৰে?

(গ) 'শ্ৰীহস্তমুক্তাৱলী' গ্ৰন্থখনৰ ৰচক কোন আছিল?

(ঘ) কি উদ্দেশ্যে 'ভেকুলী-বিয়া' অনুষ্ঠিত কৰা হয়?

(ঙ) 'পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

*Contd.*

(চ) উত্তৰ-পূৰ্বাঞ্চলৰ মাতৃসূত্ৰীয় (matrilineal) সমাজ ব্যৱস্থাৰ প্ৰচলন থকা এটা জনগোষ্ঠীৰ নাম উল্লেখ কৰা।

(ছ) 'লেৰাটনা গীত' কোন জনগোষ্ঠীৰ মাজত প্ৰচলিত?

(জ) কোনগৰাকী স্বৰ্গদেউৰ সময়ৰ পৰা আহোম-ৰাজপৰিয়ালত ব্ৰাহ্মণ্য ধৰ্মই প্ৰৱেশ লাভ কৰে?

(ঝ) কোচ নৃপতিসকলৰ মুদ্ৰাত উৎকীৰ্ণ কৰা প্ৰধান বিশেষণটো কি আছিল?

(ঞ) 'খেৰাই নৃত্য' কি পূজা উপলক্ষ্যে পৰিবেশিত হয়?

২। এটা বা ততোধিক পূৰ্ণ বাক্যত উত্তৰ দিয়া ঃ *(মুঠ দহটা)*

২×১০=২০

(ক) 'যোগিনীতন্ত্ৰ'ত পুৰণি কামৰূপ ৰাজ্যক কি কি ভাগত বিভক্ত কৰা হৈছে?

(খ) মধ্যযুগত সাঁচিপাতত লিখিবৰ কাৰণে চিয়াঁহী (মহী) কেনেদৰে প্ৰস্তুত কৰা হৈছিল?

(গ) মধ্যযুগত অসমৰ গৃহ-নিৰ্মাণৰ বাবে কি কি কেঁচা-সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল?

(ঘ) 'লোক-চিকিৎসা' বুলিলে কেনেধৰণৰ চিকিৎসা-ব্যৱস্থাক বুজা যায়?

(ঙ) অসমৰ মুছলমান জনগোষ্ঠীৰ প্ৰব্ৰজনৰ সৈতে কেনেধৰণৰ ঐতিহাসিক প্ৰক্ৰিয়া জড়িত হৈ আছে?

(চ) গুমৰাগ নৃত্য কি? কি উদ্দেশ্যে এই নৃত্য পৰিবেশন কৰা হয়?

(ছ) 'কাহিনীগীত'ৰ আন নাম কি? ইয়াক কেইশ্ৰেণীত বিভক্ত কৰিব পাৰি?

(জ) লোক-সংস্কৃতি আৰু জনজাতীয় সংস্কৃতিৰ মাজত কি কি দিশত সাদৃশ্য পৰিলক্ষিত হয়?

(ঝ) অসমীয়া বিবাহ অনুষ্ঠানৰ সৈতে জড়িত *দুটিমান* সামাজিক লোকাচাৰৰ উল্লেখ কৰা।

(ঞ) উমাচল শিলালিপিত অসমৰ ধৰ্মীয় দিশৰ কেনেধৰণৰ ইঙ্গিত সন্নিবিষ্ট হৈ আছে?

৩। চমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) কেঁচাইখাতী গোঁসানী

(খ) নামঘৰ

(গ) দৌলোৎসৱ

(ঘ) বাৰে-চহৰীয়া ভাওনা

(ঙ) বগা ফকীৰৰ মাঝাৰ

(চ) আলি-আই-লিগাং

৪। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখিবা ঃ ১০×৩=৩০

(ক) সংস্কৃতি বুলিলে কি বুজা? অভিজাত বা মাৰ্গীয় সংস্কৃতিৰ বিষয়ে চমুকৈ লিখা। ১০

(খ) সংস্কৃতিৰ পৰিৱৰ্তন বুলিলে কি বুজা? স্বাধীনতাৰ পৰৱৰ্তী কালত অসমীয়া সংস্কৃতিৰ কেনেধৰণৰ পৰিৱৰ্তন ঘটিছে? বিচাৰ কৰা। ১০

(গ) নৱবৈষ্ণৱ ভক্তিধৰ্মৰ সম্প্ৰসাৰণে অসমীয়া সংস্কৃতিৰ সমন্বয়ত কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছিল? উদাহৰণ সহকাৰে বিচাৰ কৰা। ১০

(ঘ) 'দৰাচলতে ৰুদ্ৰসিংহৰ ৰাজত্বকাল অসমীয়া সংস্কৃতিৰ সামগ্ৰিক বিকাশ আৰু পৰিপূৰ্ণতাৰ দিশৰ পৰা অতিশয় গুৰুত্বপূৰ্ণ।' — এই উক্তিৰ আধাৰত ৰুদ্ৰসিংহৰ ৰাজত্বকালৰ অসমীয়া সংস্কৃতিৰ এটি সমীক্ষা দাঙি ধৰা। ১০

(ঙ) 'সংস্কৃতিক কি কাৰণে মানৱসৃষ্ট পৰিৱেশৰ সৰ্বোৎকৃষ্ট অংশ' আখ্যা দিয়া হৈছে? সংস্কৃতিৰ সৈতে সভ্যতা আৰু পৰিৱেশৰ সম্পৰ্ক বিচাৰ কৰা। ১০

(চ) 'বিশ্বায়ন' বুলিলে কি বুজা? বিশ্বায়নে অসমীয়া সংস্কৃতিলৈ কোন কোন দিশত পৰিৱৰ্তনৰ সূচনা কৰিছে, লিখা। ১০

---